তৃতীয় ভাৰত-মালদোভা বৈদেশিক কার্যালয়ৰ পৰামর্শ বৈঠক (11 নৱেম্বৰ, 2026)

2026 চনৰ 11 নৱেম্বৰত নতুন দিল্লীত ভাৰত-মালদোভা বৈদেশিক কার্যালয়ৰ পৰামর্শ বৈঠকৰ (এফঅ'চি) তৃতীয় পর্যায় অনুষ্ঠিত হয়।

2. ভাৰতীয় প্রতিনিধি দলটোৰ নেতৃত্ব দিয়ে বৈদেশিক পৰিক্রমা মন্ত্রালয়ৰ সচিব (পশ্চিম) ৰাষ্ট্রদূত চিবি জর্জে আৰু মালদোভাৰ প্রতিনিধি দলটোৰ নেতৃত্ব দিয়ে মালদোভা গণৰাজ্যৰ বৈদেশিক পৰিক্রমা মন্ত্রালয়ৰ ষ্টেট ছেক্রেটৰী মাননীয়া কৰিনা কালুগাৰুৱে।

3. এফঅ'চিৰ সময়ত ৰাজনৈতিক, অর্থনৈতিক, শিক্ষা, সাংস্কৃতিক, কনছুলাৰ আৰু জনসাধাৰণৰ মাজৰ আদান-প্রদানকে ধৰি দ্বিপাক্ষিক সম্পর্কৰ সমগ্র দিশৰ ওপৰত আলোচনা কৰা হয়। দুয়োপক্ষই শক্তি, কৃষি, যোগাযোগ আৰু সামর্থ্য বিকাশৰ ক্ষেত্রত সহযোগিতা অধিক বৃদ্ধি কৰাত গুৰুত্ব আৰোপ কৰে। বহুপাক্ষিক মঞ্চসমূহত সহযোগিতাকে ধৰি পাৰস্পৰিক স্বার্থজড়িত আঞ্চলিক আৰু গোলকীয় বিষয়সমূহৰ ওপৰতো মত বিনিময় কৰা হয়।

4. ভাৰত আৰু মালদোভাৰ মাজত উষ্ম আৰু সৌহার্দ্যপূর্ণ দ্বিপাক্ষিক সম্পর্ক বিৰাজমান। ভাৰতৰ পৰা হোৱা প্রথমটো ৰাষ্ট্রপতি পর্যায়ৰ ভ্রমণ হিচাপে 2026 চনৰ জুলাই মাহত ভাৰতৰ ৰাষ্ট্রপতিৰ ঐতিহাসিক মলদোভা ভ্রমণে দ্বিপাক্ষিক সম্পর্কত এক নতুন গতি প্রদান কৰিছে। এফঅ'চিত অনুষ্ঠিত হোৱা আলোচনাই ভাৰত-মালদোভা দ্বিপাক্ষিক অংশীদাৰিত্ব অধিক সুদৃঢ় কৰাত অৰিহণা যোগাব।

5. পাৰস্পৰিকভাৱে সুবিধাজনক তাৰিখত চিছিনাউত এফঅ'চিৰ পৰৱর্তী অধিৱেশন অনুষ্ঠিত কৰিবলৈ দুয়োপক্ষই সন্মতি প্রকাশ কৰে।

নতুন দিল্লী

11 নৱেম্বৰ, 2026